**guidance/Supervision of** Mina Sarma **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title** A Brief Description of the History of Tezpur

**Session** 2022 - 2023

**Submission date** 8th December, 2022

M.Sarma

**H.O.D**
**Signature**

M.Sarma

**Guide/Supervisor**
**Signature**

Deptt. of History,
Bikali College, Dhupdhara.

CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss** Sabina Begum

**bearing roll** UA-211-095 **No.** 0257 **of UG** 3rd **Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** Mina Sarma **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title** A Brief Description of the History of Tezpur

**Session** 2022-2023

**Submission date** 8th December, 2022

M Sarma

**H.O.D**
**Signature**

M Sarma

**Guide/Supervisor**
**Signature**

Deptt. of History,
Bikali College, Dhupdhara.

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss**........Shanmaina Rabha........

**bearing roll** UA-211-095 **No.** 0259 **of UG** 3rd **Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** ........Mina Sarma........ **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title**....A Brief Description of the History of Tezpur....

**Session** ....2022 - 2023....

**Submission date** ....8th December, 2022....

M Sarma
**H.O.D**
**Signature**

M Sarma
**Guide/Supervisor**
**Signature**

*Deptt. of History,*
*Bikali College Dhupdhara.*

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss** Sulekha Rabha

**bearing roll** UA-211-095 **No.** 0273 **of UG** 3rd **Semester (CBCS) has successfully completed his /her work under the guidance/Supervision of** Mina Sarma **Dept. Of History Bikali College. This project report has covered all the required data as per partial fulfilment of G.U syllabus.**

**Project**

**Title** A Brief Description of the History of Tezpur

**Session** 2022 - 2023

**Submission date** 8th December, 2022

M Sarma
**H.O.D**
**Signature**

M Sarma
**Guide/Supervisor**
**Signature**

*Deptt. of History,*
*Bikali College, Dhupdhara.*

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss** Susmita Daimary

**bearing roll** UA-211-095 **No.** 0280 **of UG** 3rd **Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** Mina Sarma **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title** A Brief Description of the History of Tezpur

**Session** 2022 - 2023

**Submission date** 8th December, 2022

M Sarma
**H.O.D**
**Signature**

M. Sarma
**Guide/Supervisor**
**Signature**

Deptt. of History,
Bikali College, Dhupdhara.

BIKALI COLLEGE DHUPDHARA ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss**......Tarun Khakhalary......

**bearing roll** ...UA-211-095...**No.**...0281...**of UG** ...3rd...**Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** ...Mina Sarma... **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title**...A Brief Description of the History of Tezpur...

**Session** ...2022-2023...

**Submission date** ...8th December, 2022...

M-Sarma

**H.O.D**
**Signature**

M-Sarma

**Guide/Supervisor**
**Signature**

Deptt. of History,
Bikali College, Dhupdhara

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss**.......Trishna Rani Rabha.......

**bearing roll** ...UA-211-095... **No**......0284...... **of UG** ...3rd... **Semester (CBCS) has successfully completed his /her work under the guidance/Supervision of** .......Mina Sarma....... **Dept. Of History Bikali College. This project report has covered all the required data as per partial fulfilment of G.U syllabus.**

**Project**

**Title**....A Brief Description of the History of Tezpur....

**Session** ....2022-2023....

**Submission date** ....8th December, 2022....

M. Sarma
**H.O.D**
**Signature**

M-Sarma
**Guide/Supervisor**
**Signature**

*Deptt. of History,*
*Bikali College, Dhupdhara*

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss**....Bimudhar Rabha....

**bearing roll** ..UA-211-095..**No**....0339....**of UG** ....3rd....**Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** ....Mina Sarma.... **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title**....A Brief Description of the History of Tezpur....

**Session** ....2022-2023....

**Submission date** ....8th December, 2022....

M-Sarma
**H.O.D**
**Signature**

M-Sarma
**Guide/Supervisor**
**Signature**

***Deptt. of History,***
***Bikali College, Dhupdhara***

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss**......Bipul Hajong......

**bearing roll** VA-211-095 **No.**......0341......**of UG** ...3rd...**Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** ......Mina Sarma...... **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title**......A Brief Description of the History of Tezpur......

**Session** ......2022 - 2023......

**Submission date** ......8th December, 2022......

M. Sarma
**H.O.D**
**Signature**

M. Sarma
**Guide/Supervisor**
**Signature**

*Deptt. of History,*
*Bikali College, Dhupdhara*

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss**......Bishal Das......

**bearing roll** ..UA-211-095..**No**......0342......**of UG** ....3rd....**Semester (CBCS) has successfully completed his /her work under the guidance/Supervision of** ......Mina Sarma...... **Dept. Of History Bikali College. This project report has covered all the required data as per partial fulfilment of G.U syllabus.**

**Project**

**Title**...A Brief Description of the History of Tezpur...

**Session** ....2022-2023....

**Submission date** ....8th December, 2022....

M-Sarma
**H.O.D**
**Signature**

M-Sarma
**Guide/Supervisor**
**Signature**

Deptt. of History,
Bikali College, Dhupdhara

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss** Ranitha A. Marak

**bearing roll** UA-211-095 **No.** 0468 **of UG** 3rd **Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** Mina Sarma **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title** A Brief Description of the History of Tezpur

**Session** 2022 – 2023

**Submission date** 8th December, 2022

M. Sarma
**H.O.D**
**Signature**

M. Sarma
**Guide/Supervisor**
**Signature**

*Deptt. of History,*
*Bikali College, Dhupdhara.*

# CERTIFICATE OF COMPLETION

**This is to certify that**

**Mr/Miss** Runubala K. Sangma

**bearing roll** UA- 211 -095 **No.** 0476 **of UG** 3rd **Semester**

**(CBCS) has successfully completed his /her work under the**

**guidance/Supervision of** Mina Sarma **Dept. Of History**

**Bikali College. This project report has covered all the required data as per**

**partial fulfilment of G.U syllabus.**

**Project**

**Title** A Brief Description of the History of Tezpur

**Session** 2022- 2023

**Submission date** 8th December, 2022

M. Sarma
**H.O.D**
**Signature**

M. Sarma
**Guide/Supervisor**
**Signature**

*Deptt. of History,*
*Bikali College, Dhupdhara*

# PROJECT

BIKALI COLLEGE
DHUPDHARA
ESTD : 1982

**Submitted by-**

Mina Sarma
Deptt of History
Bikali College, Dhupdhara

**Name : Jitamani Rabha**

**Class : B.A. 3rd Semester**

**Roll No. : 0122**

**Subject : History**

**Paper : HIS-SE-3014**

**BIKALI COLLEGE, DHUPDHARA**

Q.2> তেজপুৰৰ ইতিহাস আৰু মঠ-মন্দিৰ, উদ্যান ইত্যাদিৰ বিষয়ে চমু বৰ্ণনা।

তেজপুৰ :— পুৰাণ প্ৰসিদ্ধ মনোৰম নগৰী তেজপুৰ। ব্ৰিটিছ আমোলত ১৮৩৫ খ্ৰীষ্টাব্দৰ পৰা ১৯৮৩ খ্ৰীষ্টাব্দলৈকে তেজপুৰ দৰং জিলাৰ সদৰ কাৰ্য্যালয় আছিল। কিন্তু অসম চৰকাৰে ১৯৮৩ চনত দৰং জিলাক বিভক্ত কৰি দৰং আৰু শোণিতপুৰ এই দুখন জিলা গঠন কৰে। তেতিয়াৰ পৰাই তেজপুৰে শোণিতপুৰ জিলাৰ সদৰ হিচাপে মৰ্যাদা লাভ কৰি আহিছে।

প্ৰকৃতিৰ অনবদ্য অৱদান পাহাৰ, জলাহ, নৈ, নিজৰা আদিৰে মনোৰম তেজপুৰ নগৰখন নিঃসন্দেহে পৰ্যটকৰ বাবে এখনি আকৰ্ষণীয় ঠাই। অসম চৰকাৰে ধুনীয়াকৈ নিৰ্মাণ কৰা চিত্ৰলেখা উদ্যান, অগ্নিগড় উদ্যান, পদুম পুখুৰী, বামুণী পাহাৰৰ মন্দিৰৰ ধ্বংসাৱশেষ, ৰুদ্ৰপদ, মহাভৈৰৱ দেৱালয়, দ-পৰ্বতীয়াৰ দেশৰ ভিতৰতে প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষ আৰু শৈলদ্বাৰ ইত্যাদিয়ে নিঃসন্দেহে দেশৰ বা বাহিৰৰ যিকোনো এজন পৰ্যটকক আকৰ্ষণ আৰু মুগ্ধ কৰিব এই ঐতিহ্যপূৰ্ণ নগৰখনৰ প্ৰতি। ঐতিহাসিক দিশৰ পৰা তেজপুৰৰ গুৰুত্ব যি হাৰত, তেনেদৰেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ ফালৰ পৰাও তেজপুৰ নিঃসন্দেহে দেশৰ অন্যান্য স্বাস্থ্যকৰ পাৰ্বত্য নিবাসৰ সমপৰ্যায়ৰ।

তেজপুৰে দূৰ অতীতৰ পৰাই ঐতিহাসিক ভাৱে স্বকীয়া মৰ্যাদা লাভ কৰি আহিছে।

সেয়েহে এই নগৰ বা অঞ্চলবিশেষৰ ইতিহাস অধ্যয়নৰ গুৰুত্ব নিতান্তই গুৰুত্বপূৰ্ণ। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমক নিজৰ দখললৈ অনাৰ পিছৰে পৰা তেজপুৰৰ পৰা আত-তত সিঁচৰতি হৈ থকা ভগ্নাৱশেষবোৰে দেশৰ বাহিৰৰ একাধিক পণ্ডিত গৱেষকৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। পুৰাতত্ত্ববিদ ই. ভি. ৱেষ্টমাকট, উলিয়াম ৰবিনছন, ই. টি. ডেল্টন আদিয়ে তেজপুৰৰ আৱিষ্কৃত ধ্বংসাৱশেষ সন্দৰ্ভত চলোৱা অধ্যয়নৰ কথা এই প্ৰসংগত উল্লেখযোগ্য। সাম্প্ৰতিক সময়লৈকে দেশৰ আৰু বাহিৰৰ অনেক পণ্ডিত-গৱেষকে আৱিষ্কৃত সমলবোৰৰ সন্দৰ্ভত তেজপুৰৰ ইতিহাস নিৰূপণৰ প্ৰচেষ্টা চলাই আহিছে।

প্ৰাচীন ভাৰতীয় সাহিত্য পুৰাণ, উপ-পুৰাণত শোণিতপুৰ সন্দৰ্ভত উল্লেখ কৰা হৈছে। শোণিতপুৰ আজিৰ তেজপুৰ হয় নে নহয় সেইটো এটা বিতৰ্কৰ বিষয় হ'লেও এটা কথা অনস্বীকাৰ্য যে প্ৰাচীন শাস্ত্ৰসমূহে পণ্ডিতসকলক ইতিহাসৰ কাল নিৰ্ণয়ত প্ৰচুৰ অৰিহণা যোগাইছে। তেজপুৰৰ প্ৰাচীন ইতিহাস উদ্ধাৰ সন্দৰ্ভত বিগত দুই শতিকাত বিদেশী পণ্ডিতসকলে লেখা গ্ৰন্থসমূহৰ ভূমিকাও লক্ষণীয়। পুৰাতাত্ত্বিক ৰাখাল দাস বন্দ্যোপাধ্যায়, কাশীনাথ দীক্ষিত, ৰাজমোহন নাথ, আনন্দ চন্দ্ৰ আগৰৱালা, কনকলাল বৰুৱা, প্ৰতাপ চন্দ্ৰ চৌধুৰী আদি ব্যক্তিৰ মূল্যৱান গৱেষণামূলক প্ৰবন্ধবোৰে তেজপুৰৰ ইতিহাস নিৰ্মাণত বিশেষ বৰঙণি যোগাইছে।

দেশৰ পুৰাতত্ত্ব জৰীপ বিভাগৰ পূৰ্ব অঞ্চলৰ অধীক্ষক ৰাখাল দাস বন্দোপাধ্যায়ে তেজপুৰৰ ভগ্নাৱশেষসমূহৰ সন্দৰ্ভত জৰীপ চলাই ১৯২৪-১৯২৫ চনৰ বিভাগীয় বাৰ্ষিক প্ৰতিবেদনত মূল্যবান মন্তব্য দি থৈ গৈছে। বিশেষকৈ দ-পৰ্বতীয়াৰ ভগ্নাৱশেষ সন্দৰ্ভত তেওঁতে দিয়া মন্তব্যৰ ওপৰত নিৰ্ভৰ কৰিয়েই পৰৱৰ্তী কালৰ পণ্ডিতসকলে নিজ নিজ দৃষ্টিভংগীৰে তেজপুৰৰ ইতিহাস সন্দৰ্ভত চিন্তা-চৰ্চা কৰিছে।

তেজপুৰৰ প্ৰাচীন ইতিহাসৰ অনুসন্ধান সন্ধান দিব পৰা পুৰাতাত্ত্বিক সমলসমূহ হ'ল- ৰাজন্য বৰ্গৰ অগাবঢ়োৱা অনুশাসনৰাজি, প্ৰাচীন কালৰ মুদ্ৰা; মঠ মন্দিৰৰ ভগ্নাৱশেষ। এই ক্ষেত্ৰত অসমৰ ইতিহাস সন্দৰ্ভত প্ৰাক্-আহোম যুগৰ ৰজাসকলে প্ৰদান কৰা অনুশাসনসমূহৰ ভূমিকা সৰ্বাধিক। এই সন্দৰ্ভত তেজপুৰৰ প্ৰাচীন ইতিহাসৰ সম্ভেদ দিব পৰা এখন শিলালিপি আৰু কিছু তাম্ৰশাসন উদ্ধাৰ হোৱাটোও প্ৰণিধানযোগ্য কথা।

১৯৭৭ চনত তেজপুৰৰ ধুলাপাদুং চাহ বাগিচাত মাটি খান্দোঁতে উদ্ধাৰ হোৱা ৩৩টা প্ৰাচীন মুদ্ৰাত খোদিত ~~হ~~ 'হ' আৰু 'বং' (ব্ৰ) আখৰৰ পৰাই গম পাব পাৰি যে এইখিনি মুদ্ৰা হৰ্জৰ বৰ্মা আৰু বনমালা বৰ্মাৰ দ্বাৰা খোদিত। পুৰালিপি বিশাৰদ দীনেশ চন্দ্ৰ সৰকাৰেও এই সমূহ হৰ্জৰ বৰ্মন আৰু বনমালা বৰ্মনে খোদিত কৰা বুলি মন্তব্য কৰে।

স্মৰ্তব্য যে এই দুয়োগৰাকীয়েই শালস্তম্ভ বংশৰ শক্তিশালী নৃপতি আছিল।

অসমৰ বানপানী, সেমেকা জলবায়ু, প্ৰলয়ংকাৰী ভূমিকম্প, আদি প্ৰাকৃতিক নানান দুৰ্যোগৰ কাৰণত প্ৰাক্-আহোম যুগৰ কোনো মন্দিৰ বা ৰাজপ্ৰসাদ অক্ষত অৱস্থাত নাই। বিদেশী আক্ৰমণকাৰীৰ দ্বাৰাও গুৰুত্বপূৰ্ণ ঐতিহাসিক সম্পদ বিলুপ্ত হোৱাটোও একো আচৰিত নহয়।

তেজপুৰৰ ইতিহাস সন্দৰ্ভত আলোচনাৰ সুবিধাৰ্থে আলোচ্য বিষয়বস্তুক দুভাগত বিভক্ত কৰাটো বাঞ্ছনীয় পৌৰাণিক যুগ আৰু ঐতিহাসিক যুগ। পৌৰাণিক যুগৰ অন্তৰ্গত পুৰাণ-উপপুৰাণৰ কাহিনীত পৰিপূৰ্ণ হৈ আছে প্ৰাচীন শোণিতপুৰৰ কথা। প্ৰচলিত বিশ্বাস অনুযায়ী, তাহানিৰ শোণিতপুৰেই আজিৰ তেজপুৰ। শোণিতপুৰৰ কথা উল্লেখ কৰিলেই প্ৰবাল প্ৰতাপী বাণৰজা আৰু তেওঁৰ পৰমা সুন্দৰী কন্যা উষাৰ লগত শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ গোপন প্ৰণয় আৰু হৰি-হৰৰ কথা মনলৈ আহে। নিম্নে উল্লিখিত পুৰাণ-সমূহত শোণিতপুৰ আৰু

ঊষা - অনিৰুদ্ধৰ প্ৰেম কাহিনী উল্লেখ আছে। ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ ব্ৰহ্ম - বৈৱৰ্তপুৰাণ, কালিকাপুৰাণ, আদিত। শোণিতপুৰত ঊষা - অনিৰুদ্ধৰ প্ৰণয়, গন্ধৰ্ব প্ৰথাৰে তেওঁলোকৰ বিবাহ আৰু পৰিণতিত হৰি - হৰৰ যুদ্ধ - এই সমস্ত ঘটনাৰ স্থলী আচানিৰ শোণিতপুৰ এতিয়াৰ তেজপুৰ হয় নে নহয় এইটো এটা বিতৰ্কৰ বিষয়। অৱশ্যে কালিকাপুৰাণৰ ৩৯ অধ্যায়ত এই বুলি উল্লেখ আছে যে যি সময়ত, প্ৰাগজ্যোতিষ-পুৰত নৰকাসুৰ ৰজাই ৰাজত্ব কৰিছিল। সেই সময়ত নৰকাসুৰ বন্ধু বাণাসুৰে দ্বাপৰৰ শেষভাগত শোণিতপুৰত ৰাজত্ব কৰিছিল।



অগ্নিগড়ৰ মূল প্ৰৱেশ দ্বাৰ



হৰিহৰৰ যুদ্ধ

এই অগ্নিগড় এটা অসমৰ এটা প্ৰসিদ্ধ আকৰ্ষণস্থলী। ই এখন ধুনীয়া পাহাৰ। এই পাহাৰখন ঊষা আৰু অনিৰুদ্ধৰ প্ৰেমৰ কাহিনীৰে প্ৰসিদ্ধ। অগ্নিগড় ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত। এই গড়টো বাণৰজাই তেখেতৰ কন্যা ঊষাক সুৰক্ষিত কৰি ৰাখিবলৈ নিৰ্মাণ কৰিছিল। ঊষাৰ প্ৰেমিক অনিৰুদ্ধক এই গড়তে বন্দী কৰি ৰখা হৈছিল। অনিৰুদ্ধ আছিল শ্ৰী কৃষ্ণৰ নাতিনীয়েক। অগ্নিগড় ২০০১ চনৰ আনুমানিক মাহৰ পৰা নতুন ৰূপত সজাই

অসাই পসাই আবিষ্কাৰ কৰি তোলা হৈছিল। ইয়াত হৰি-হৰৰ যুদ্ধ ঊষা অনিৰুদ্ধৰ বিবাহ, ঊষাৰ বৰ্ননা চিত্ৰলেখাৰ অংকন আদি মূৰ্তিসমূহত ফোটাই তোলা হৈছে।



চিত্ৰলেখা উদ্যান

এই উদ্যানখনক আমি কল পাৰ্ক নামেৰেও জানো। ই দেখিবলৈ বৰ মনোমোহা। এই উদ্যানখনক সৰু পাহাৰেৰে আৱৰি আছে। ইয়াত বহুতো ধুনীয়া মূৰ্তি, ঊষা-অনিৰুদ্ধৰ মূৰ্তি, আৰু পুখুৰীয়া পদুম, আদি থকাৰ উপৰিও নাও খেলো খেলিব পাৰি। ইয়াত শিশুসকলৰ বাবে এটা সৰু খেলৰ কোঠা আছে। এই

পাৰ্কখন বিশেষকৈ সকলো ল'ৰা-ছোৱালীৰ বাবে আকৰ্ষণীয়।

ব্ৰিটিছ শাসনৰ সময়ত ১৯০৬ চনত তেতিয়াৰ শোণিতপুৰ জিলাৰ উপায়ুক্ত মি: ক'লে শোণিতপুৰৰ তেজপুৰ চহৰৰ বিভিন্ন ঠাইৰ পৰা পৰিত্যক্ত অৱস্থাত উদ্ধাৰ কৰিছিল সময়ৰ বিভিন্ন ধৰণৰ দৃশ্যাংশ খোদিত কৰা এই শিলবোৰ। তেজপুৰ চহৰৰ মাজমজিয়াত থকা এটা জলাশয়ৰ কাষত শিলবোৰ একত্ৰিত কৰি তাক সংৰক্ষণৰ উদ্দেশ্যেৰে নিৰ্মাণ কৰিছিল এই উদ্যান। আৰু তেতিয়াৰ পৰা ইয়াক কল পাৰ্ক বুলিও জনা যায়।

পৰৱৰ্তী সময়ত ১৯৯৬ চনত অসমৰ প্ৰাক্তন মুখ্য সচিব তথা তেতিয়াৰ উপায়ুক্ত এছ ডি কে ভানুৱে আটক ধুনীয়াকৈ নিৰ্মাণ কৰিলে এই উদ্যানখন আৰু জিলা প্ৰশাসনে ইয়াৰ নতুনকৈ নামাকৰণ কৰিলে চিত্ৰলেখা উদ্যান। বৰ্তমান দেশ বিদেশৰ পৰ্যটকৰ বাবে এক আকৰ্ষণীয় স্থানলৈ পৰিৱৰ্তিত হোৱাৰ লগতে অৱসৰ বিনোদনৰ এক সুৰুচীয়া স্থান হৈ পৰিছে চিত্ৰলেখা উদ্যান।

বৰ্তমান কাচিৎ অভিভাৱকৰ শিশুক

নতুনকৈ সজাই পৰাই তোলা হৈছে এই উদ্যানখন। কণকমানিটুৰ বাবে স্থাপন কৰা হৈছে ইলেকট্ৰনিক খেল জল, বাম্পাৰ, কাৰ ইত্যাদি। তাৰোপৰি জিলা প্ৰশাসনে নতুনকৈ আয়োজিত কৰিছে কৰ্ট। সম্প্ৰতি তেজপুৰৰ Environment Society ৰ দ্বাৰা পৰিচালিত এই উদ্যানত গ্ৰীষ্মকালীন সময়ত অধিক পৰ্যটকৰ আগমন দেখিবলৈ পোৱা যায়।

কালিকাপুৰাণৰ এই তথ্যৰ পৰা বুজিব পাৰি যে বাণাসুৰৰ লগত নৰকাসুৰৰ মহামিত্ৰতা হৈছিল আৰু সঘনে অহা-যোৱাও হৈছিল। গতিকে এটা প্ৰমাণ হয় - এই বাণৰ ৰাজ্য আছিল কামৰূপৰ ওচৰ-চুবুৰীয়া শোণিতপুৰ। যি কি নহওক, তেজপুৰৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহে নগৰখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। এই প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ ভিতৰত নগৰৰ উত্তৰদিশে অৱস্থিত মহাদেৱৰ মন্দিৰ বাণৰজাই প্ৰতিষ্ঠা কৰা বুলি জনসাধাৰণৰ মাজত প্ৰবল বিশ্বাস প্ৰচলিত হৈ আছে। বাণাসুৰে এই মন্দিৰতে প্ৰচলিত তপস্যা কৰি সহস্ৰবাহু লাভ কৰাৰ কথা এক পৰম্পৰাগত বিশ্বাস। পুৰাতত্ত্ববিদসকলে নিশ্চিত হৈছে মন্দিৰৰ কাষৰ ভগ্ন কীৰ্তিচিহ্নসমূহ অষ্টম-দশম শতিকাৰ

ভাৰতৰ ভিতৰতে এয়া সৰ্ববৃহৎ বুলি শিৱলিংগ শিৱলিংগসমূহৰ মহাভৈৰৱ মন্দিৰ চোতালতে আঁকোৰা পুৰণা শিলালিপি লিখিত বুলি জানিব পৰা যায়। এ-পৰ্যায়ৰ তোৰণৰ বাহিৰে তেজপুৰৰ অন্যান্য দৰ্শনীয়স্থানসমূহ আঁকোৰা পৰত্ন শিলালিপি বৰ্তমান মহাভৈৰৱ মন্দিৰৰ শাসনি উপবিষ্ট শিলালিপি দ্বিতীয়খন বুলি প্ৰমাণিত হৈছে। আহোম শাসকে মহাভৈৰৱ দেৱালয়লৈ ভূমি দান কৰা তাম্ৰফলক উদ্ধাৰ হোৱাতো ইয়াৰ প্ৰাচীনত্বৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য যোগাইছে আছিল।



মহাভৈৰৱ মন্দিৰ

মহাভৈৰৱ মন্দিৰ তেজপুৰ চহৰৰ উত্তৰ দিশত থকা এটা টিলাৰ ওপৰত অৱস্থিত

এই মন্দিৰটোত হিন্দু সকলৰ আৰাধ্য দেৱতা শিৱক নিতৌ পূজা অৰ্চনা কৰা হয়।
মন্দিৰৰ ভূমিৰ পৰিমাণ ৮ন ১৫৯ কোঠা ৩ লেচা। এই মন্দিৰটো বাণাসুৰ নামৰ এজন ৰজাই নিৰ্মাণ কৰিছিল। বাণৰজাৰ জীয়ৰী ঊষাই এই মন্দিৰটোতে পূজা-অৰ্চনা কৰিছিল। মূল মন্দিৰৰ ভিতৰত এটা বৃহৎ শিৱলিঙ্গ আছে। এই লিংগটোৰ উচ্চতা প্ৰায় ৩.২ মিটাৰ আৰু প্ৰস্থ ২.৩ মিটাৰ। এই মন্দিৰটোত শিৱৰাত্ৰি বৰ ধুম-ধামেৰে পালন কৰা হয়।



মহাভৈৰৱ মন্দিৰৰ শিৱলিংগ

নগৰৰ পূব অঞ্চলত উষা ও পাহাৰৰ কাষত অৱস্থিত শক্তি সাধনাৰ অন্যতম কেন্দ্ৰস্থল ভৈৰৱ মন্দিৰ। লোক-বিশ্বাসমতে, বাণৰজাৰ দিনতেই এই মন্দিৰ নিৰ্মিত। উষাই এই মন্দিৰতে পাৰ্বতীক আৰাধনা কৰি মনোমত পতি লাভ কৰিছিল বুলি এক কিম্বদন্তী প্ৰচলিত আছে। কালিকাপুৰাণৰ মতমতে, অৰ্থাৎ খ্ৰীষ্টীয় দশম শতিকাত এই মন্দিৰত বামাচাৰ পদ্ধতিৰে দেৱীক অৰ্চনা কৰা হৈছিল। আহোম শাসন-কালত ৰজাই ৮৬৪ বিঘা মাটি ভৈৰৱী মন্দিৰলৈ দান দি শক্তি ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। তেজপুৰৰ এই দুই শৈৱ আৰু শাক্ত মন্দিৰে (মহাভৈৰৱ আৰু ভৈৰৱী) প্ৰাক ঐতিহাসিক প্ৰাচীনত্ব দাবী কৰে।




শ্ৰী শ্ৰী মাঁ ভৈৰৱী মন্দিৰ

মধ্যযুগৰ অসমৰ বৈষ্ণৱ কবিসকলৰ ৰচনাত ঊষা আৰু অনিৰুদ্ধৰ মনোৰম কাহিনীয়ে অগ্ৰণী স্থান পাইছিল। মহাপুৰুষ শংকৰদেৱৰ সমসাময়িক কবি অনন্ত কন্দলিয়ে এই বিষয়বস্তু লৈ এখন সুদীর্ঘ কাব্য 'কুমাৰ হৰণ' ৰচনা কৰিছিল আৰু এগৰাকী পীতাম্বৰ কবিয়ে এই বিষয়বস্তুক লৈ সৃষ্টি কৰিছিল 'ঊষা পৰিণয়' কাব্য। অনন্ত কন্দলিয়ে ভাগৱত পুৰাণৰ দশম স্কন্ধ মূল সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ এই কাহিনীও অনুবাদ কৰিছিল। উল্লেখযোগ্য যে, দুয়োগৰাকী প্ৰতিভাসম্পন্ন কবিয়েই নিজৰ কবি প্ৰতিভাৰে এই কাহিনীক খলুৱা ৰূপত সজাইছে। ইয়াৰ স্বাক্ষ্যৰ তেজপুৰ চহৰৰ মাজমজিয়াৰ অগ্নিগড় আৰু ঊষাৰ পাহাৰে আজিও বাণৰজা, ঊষাৰ স্মৃতি বহন কৰি আছে। প্ৰবাদ মতে, ইয়াতেই বাণতনয়া ঊষাৰ ৰাজকাৰেং আছিল আৰু এই দুৰ্গৰ চৌপাশে সদায় প্ৰবাহমান আছিল অগ্নি। আজিও এই টিলা দুটাত পুৰণি ভাস্কৰ্য খোদিত শিল সিঁচৰিত হৈ আছে।

পৌৰাণিক যুগৰ আলোচনাত

তেজপুৰৰ সপ্ততীৰ্থৰ ধাৰণাটো জনসমাজৰ মাজত এক পৰম্পৰাগত বিশ্বাস। সপ্ততীৰ্থ

বুলিলে মহাভৈৰৱ, ভৈৰৱী, ভৈৰৱপাদ, ৰুদ্ৰপাদ, টিংগেশ্বৰ, শুক্লেশ্বৰ, হাৰুপেশ্বৰ যদিও এই তালিকা ভিন্ন ৰূপতো লক্ষ্য কৰা যায়।

তেজপুৰত আৱিষ্কৃত প্ৰাক-শালস্তম্ভ যুগীয় গুৰুত্বপূৰ্ণ নিদৰ্শন হ'ল দ-পৰ্বতীয়াৰ ভগ্ন মন্দিৰ চৌহদৰ পৰা উদ্ধাৰ হোৱা শিলদ্বাৰখন। চহৰৰ পৰা প্ৰায় চাৰি কিঃমিঃ পশ্চিমৰ দ-পৰ্বতীয়াত অৱস্থিত এই শিলতোৰণখন খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতিকাৰ। শিলদ্বাৰৰ নিম্নাংশত খোদিত গাংগা যমুনা মূৰ্তিৰ অনুপম ভাস্কৰ্যই স্বাভাৱিকতেই পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। প্ৰত্নতত্ত্ববিদ ৰাখাল দাস বন্দোপাধ্যায়ে উক্ত শিৱ মন্দিৰৰ ভগ্নাৱশেষৰ বিষয়ে বিস্তৃত প্ৰতিবেদনত খ্ৰীষ্টীয় পঞ্চম - ষষ্ঠ শতিকাত পাটলিপুত্ৰ আৰু বাৰাণসীৰ প্ৰখ্যাত স্থাপত্য শিল্প কলাৰ অনুপম নিদৰ্শন বুলি অভিহিত কৰিছে। ইয়াৰ দ্বাৰাই প্ৰাচীন কালত অসমৰে সৈতে ভাৰতীয় সভ্যতা সাংস্কৃতিৰ নিবিড় সম্পৰ্কৰ কথা প্ৰতীয়মান হয়। অৱশ্যে গুপ্তযুগকালীন এই আপুৰুগীয়া মন্দিৰটো কোনে কোন ৰজাৰ দ্বাৰা নিৰ্মিত, সেই কথা এতিয়াও উদ্ঘাটিত হোৱা নাই আৰু এই বিষয়টো দেশৰ প্ৰত্নতাত্ত্বিকসকলৰ বাবেই এতিয়া

এক অত্যাশ্চৰ্যৰ আকৰ্ষণ হৈ পৰিছে। প্ৰত্নতাত্ত্বিক সকলৰ মতে, প্ৰাচীন মন্দিৰটো ধ্বংসপ্ৰাপ্ত হোৱাত মধ্যযুগত মন্দিৰটো পুনৰ নিৰ্মাণ কৰা নিৰ্মাণ কৰা হৈছিল।



দ-পৰ্বতীয়াৰ শিলদ্বাৰ

প্ৰাচীন শোণিতপুৰকেই বৰ্তমানৰ তেজপুৰ বুলি চিহ্নিত কৰা হৈছে। বৃহত্তৰ ভাৰতীয় সভ্যতা-সাংস্কৃতিৰ লগত সম্পৰ্ক বৰ্তাই ৰখা বাণাসুৰৰ ৰাজধানী শোণিতপুৰৰ চৌপাশ আজিও যথেষ্ট প্ৰত্নতাত্ত্বিক সমলেৰে ভৰপুৰ। ঔপনিবেশিক সময়ত তেজপুৰত প্ৰত্নতাত্ত্বিকসকলে যথেষ্টখিনি খনন কাৰ্য চলাই বহুতো ভগ্ন মন্দিৰ, ভাস্কৰ্য উদ্ধাৰ কৰিছিল। যিবোৰৰ ভিতৰত বৃহৎ শিলাস্তম্ভ, কীৰ্তিস্তম্ভ, ভেঁটিৰ

শিলা আদি উল্লেখনীয় আছিল।

খনন কাৰ্যত উদ্ধাৰ হোৱা শিলা-খণ্ডসমূহৰ অধিকাংশই মন্দিৰৰ দুৱাৰমুখৰ আছিল। বিশেষকৈ ১০'৬০" জোখৰ দুৱাৰৰ শিলাখণ্ড উদ্ধাৰ হৈছে, যেইবোৰৰ কাৰুকাৰ্য অতি মনোমোহাৰী যত সূৰ্য, ব্ৰহ্মা আদিৰ প্ৰতিমূৰ্তি খোদিত আছে। চৌকাঠ হিচাপে ব্যৱহাৰ হোৱা শিলখণ্ডটোৰ সোমাজত ললাটবিম্ব হিচাপে সূৰ্যৰ প্ৰতিমূৰ্তি আছে। যাৰ দ্বাৰা এয়া প্ৰতীত হয় যে বিগ্ৰহত থকা মূল দেৱতাজন সূৰ্য আছিল। ভাৰতৰ প্ৰথিতযশা পুৰাতত্ত্ববিদ আৰ. ডি বেনাৰ্জীয়ে এই শিলাখণ্ডসমূহৰ সময় দশম-একাদশ শতিকাৰ বুলি ঠাৱৰ কৰিছে। তেজপুৰ চহৰত উদ্ধাৰ হোৱা আমবোৰ শিলাখণ্ড বৰ্তমান চিত্ৰলেখা উদ্যানত সংৰক্ষিত হৈ আছে।

তেজপুৰ চহৰৰ আন এক প্ৰধান প্ৰত্নতাত্ত্বিক ক্ষেত্ৰ হ'ল বামুণী পাহাৰ য'ত ভগ্ন মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰ হৈছে। ইয়াৰে মধ্যৱৰ্তী মন্দিৰটো অতিৰিক্ত চৌপাশে থকা মন্দিৰ চাৰিওফালে ওপৰ আছিল। আৰু এইবোৰৰ লগত একোটা মণ্ডপ আৰু

অন্তৰাল সংলগ্ন আছিল। অন্তৰালসমূহ উপবৃত্তাকাৰ আকৃতিৰ আছিল আৰু মন্দিৰটোত বিষ্ণুক আৰাধনা কৰা হৈছিল। এই মন্দিৰটোৰ দুৱাৰসমূহত আৰু শিলা খণ্ডত বিষ্ণুৰ কেইটামান অৱতাৰৰ মূৰ্তি খোদিত আছিল।



বামুণী পাহাৰৰ কীৰ্তি চিহ্ন

উল্লেখযোগ্য যে, ভৌম নৰক বংশ আৰু বৰ্মন বংশৰ পতনৰ পিছত প্ৰাচীন কামৰূপত শালস্তম্ভ বংশৰ ৰজাই শাসন কৰিছিল। এই শালস্তম্ভ বংশৰ নৃপতিসকলৰ ৰাজত্বৰ সময় হ'ল সপ্তম

শতিকাৰ মাজৰ পৰা নৱম শতিকাৰ মাজভাগলৈ (৬৫৫-৯০০ খ্ৰীষ্টাব্দ)। শালস্তম্ভ বংশীয় ৰজাসকলৰ দিনতেই ৰাজ্যৰ ৰাজধানী প্ৰাগজ্যোতিষৰ পৰা হাৰুপেশ্বৰ বা হাটপেশ্বৰ' নামৰ এখন নগৰলৈ স্থানান্তৰ কৰাৰ কথা বিভিন্ন ঐতিহাসিক তথ্যৰ পৰা অৱগত হ'ব পাৰি। ঐতিহাসিক বিভিন্ন সাক্ষ্যই প্ৰমাণ কৰিছে যে বৰ্তমানৰ তেজপুৰেই এই ঐতিহাসিক হাৰপেশ্বৰ আছিল। এই বংশৰে নৃপতি হৰ্জৰ বৰ্মাৰ এখন শিলালিপি, এখন তাম্ৰলিপি আৰু বনমাল বৰ্মাৰ এখন তাম্ৰলিপি। শালস্তম্ভ যুগৰ বৰ্তমানলৈকে আৱিষ্কৃত হোৱা পুৰাতাত্ত্বিক সম্পদসমূহৰ ভিতৰত ভৈৰবদেৱালয়ৰ সমীপৰ ব্ৰহ্মপুত্ৰৰ পাৰতে লাগি থকা এটা দণ্ডায়মান শিলত খোদিত ফলিখনেই প্ৰাচীন। সংস্কৃত পদ্য গদ্যৰ ন-শাৰীয়া এই ফলিখনত খোদিত ৫১০ গুপ্তাব্দই পুৰাতাত্ত্বিক গৱেষক পদ্মনাথ ভট্টাচাৰ্য, বিদ্যা বিনোদে অৱশেষত সিদ্ধান্ত কৰিছে যে ৰাজকীয় নৌ-বাহিনীৰ নাৱৰীয়াসকলৰ লগত কৈৱৰ্ত সম্প্ৰদায়ৰ মাছমৰীয়া নৌ-চালকসকলৰ কিবা কথাত সংঘৰ্ষ হোৱাত পুনৰ যাতে এনে ঘটনা নহয়, তাৰ বাবেই দুয়ো পক্ষৰ মানি চলিব লগা

নাৱে: চলোৱান সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে। শিলালিপিসমূহত কৈবৰ্ত সম্প্ৰদায়ৰ নৌ-চালকসকলৰ উল্লেখে নৱম শতিকাৰ অসমৰ আৰ্থ-সামাজিক দিশৰ বিষয়ে ইংগিত বহন কৰিছে। হৰ্জৰ বৰ্মনৰ অন্য এখন তাম্ৰফলি হইস্মু১০ আল তাম্ৰলিপিয়ে পুৰণি কামৰূপ বা প্ৰাচীন অসমৰ ইতিহাসৰ সন্দৰ্ভত প্ৰচুৰ তথ্যৰ যোগান ধৰিছে। তেজপুৰৰ মাজমাজিয়াত অৱস্থিত হৰ্জৰ বা হজৰা পুখুৰী এইজন নৃপতিয়েই খন্দাইছিল।

হৰ্জৰ বৰ্মনৰ পৰৱৰ্তী শাসক পুত্ৰ বনমাল বৰ্মন (৮৩২-৮৫৫ খ্ৰীষ্টাব্দ)ৰ তেজপুৰ তাম্ৰলিপিৰ পৰাও প্ৰাক্-আহোম যুগৰ অসমৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক ব্যৱস্থাৰ সম্ভেদ পাব পাৰি। শালস্তম্ভ বংশৰ মুঠ ২১ জন ৰজাই শাসন কৰা কালছোৱাত হাৰুপেশ্বৰ নগৰখন লোহিত লবলগীয়া আছিল। বনমাল বৰ্মনৰ তাম্ৰলিপিৰ পৰাই জানিব পাৰি — তেওঁৰ দিনৰ হাৰুপেশ্বৰ নগৰখনৰ পূবে বামুণী পাহাৰৰ পৰা পশ্চিমে দ-পৰ্বতীয়ালৈকে বিস্তৃত হৈ পৰিছে। সেই সময়ত এই নগৰখন পৰিকল্পিতভাৱে গা কৰি উঠিছিল; অনাদৃত ধ্বংসাৱশেষেই এই

তথ্যৰ প্ৰমাণ কৰে। নগৰৰ চতুৰ্দিশে গড়খাৰৈ খানি
ইয়াৰ গড় নিৰ্মাণ কৰা হৈছিল - যি গড়ৰ ধ্বংসা-
ৱশেষে আজিও শালস্তম্ভ বংশৰ কথা গৌৰৱে
বহন কৰি আছে। শালস্তম্ভ বংশৰ শ্ৰেষ্ঠ
নৃপতি শ্ৰী হৰ্ষদেৱৰ দিনত বিভিন্ন জনগোষ্ঠীৰ
মাজত সাংস্কৃতিক বিনিময় ঘটিছিল। ইয়াৰ
উজ্জ্বল নিদৰ্শন হৈছে - শ্ৰী হৰ্ষদেৱৰ কন্যা
ৰাজ্যমতীক নেপালৰ ৰজা জয়দেৱে বিবাহ কৰিছিল
আৰু এই কথা নেপালৰ পশুপতি মন্দিৰৰ
ওপৰত এখন শিলালিপিত খোদিত আছে। সামগ্ৰিক-
ভাৱে এই যুগৰ সুকুমাৰ, কলা, চিত্ৰ, দৰ্শন,
সাহিত্য, সামাজিক জীৱন প্ৰভৃতি এই সমূহ দিশৰ
প্ৰতিও বিদ্বৎসকলে মনোনিৱেশ কৰাটো এক
বৌদ্ধিক বাতাবৰণৰ প্ৰতিচ্ছবি। বিদগ্ধ পণ্ডিত-
সকলে তেজপুৰত বসবাস কৰি সাহিত্য চৰ্চা
কৰিছিল। নগৰৰ আত-তাত সিঁচৰতি হৈ
থকা সেই যুগৰ স্বাক্ষৰ বহন কৰা প্ৰাচীন
স্মাৰকশেষ, বাৰেবৰণীয়া ভাস্কৰ্য-সম্বলিত শিলা-
খণ্ডসমূহৰ পৰাই সেই যুগৰ তেজপুৰত উচ্চ
পৰ্যায়ৰ শিল্প চৰ্চাৰ এক সম্যক ধাৰণা
কৰিব পাৰি। বনমাল বৰ্মনৰ পৰৱৰ্তী
সময়ৰ শালস্তম্ভ বংশৰ নৃপতিসকল বুৰঞ্জীত
ইমান উল্লেখযোগ্য নহ'লেও এই বংশৰ

অধীনত হাৰুপেশ্বৰ বা হাটপেশ্বৰ অধিকাৰ ইষ্ট শিৱমন্দত আৰোহণ কৰিছিল। পৰৱৰ্তী কাল বাংশৰ ৰাজত্বকালত পুনৰ কালাপাৰ কামৰূপৰ ৰাজধানী হাৰুপেশ্বৰৰ পৰা দুৰ্জয়ালৈ স্থানান্তৰিত কৰা হয়। দুৰ্জয়া নগৰী ব্ৰহ্মপুত্ৰৰ পাৰত গুৱাহাটীৰ কাষত বুলি পণ্ডিতসকলে মত পোষণ কৰে। দুৰ্জয়া নগৰীখন তেজপুৰৰ কাষৰ শিংৰী অঞ্চলত আছিল বুলি এক কিম্বদন্তি প্ৰচলিত।

তেজপুৰত থকা আন এটা মন্দিৰ হ'ল নাগ শংকৰ মন্দিৰ। নাগশংকৰ মন্দিৰ অসমৰ বৰ্তমান বিশ্বনাথ জিলাত অৱস্থিত এটি ঐতিহ্যমণ্ডিত শিৱ মন্দিৰ। অসমৰ প্ৰধান শৈৱ পীঠস্থান সমূহৰ ভিতৰত নাগশংকৰ মন্দিৰ অন্যতম। দৈনিক সভা ৰীতি এই মন্দিৰত পূজা অৰ্চনা কৰা। মন্দিৰটোৰ নামেৰে এই অঞ্চলটোৰ নামো নাগশংকৰ পৰিছে। শোণিতপুৰ জিলাৰ সদৰ চহৰ তেজপুৰৰ পৰা নাগশংকৰ মন্দিৰৰ দূৰত্ব ৫৮ কিলোমিটাৰ। ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দক্ষিণে এক কি:মি:ৰ ভিতৰৰে সোমাই নাগ শংকৰ মন্দিৰৰ অৱস্থান। যোগাযোগৰ সু ব্যৱস্থাৰ হেতুকে এই মন্দিৰত বছৰত বাৰ মাহে ভক্তৰ ভিৰ পৰিলক্ষিত হয়।



নাগ-শংকৰ মন্দিৰ

মন্দিৰ চৌহদত অৱস্থিত এটি প্ৰকাণ্ড জলাশয়ত থকা শতায়ু গৰকা কাছকেইটাও মন্দিৰটোৰ পৰ্যটন ব্যৱস্থাত অৰিহণা যোগাইছে। শিৱৰ অনুচৰ বুলি গণ্য কৰা এই কাছকেইটাক প্ৰতিদিনে মন্দিৰৰ প্ৰসাদ আৰু ভোগ অৰ্পণ কৰা হয়। দৰ্শনাৰ্থী সকলেও কাছকেইটিক প্ৰসাদ আগবঢ়োৱা পৰিলক্ষিত হয়। বৰ্তমান মন্দিৰৰ সৌন্দৰ্য বৃদ্ধিৰ ক্ষেত্ৰত মন্দিৰ পৰিচালনা সমিতিয়ে বিশেষ উদ্যোগ হাতত লৈছে। বিলুপ্তপ্ৰায় প্ৰজাতিৰ কাছসমূহৰ সংৰক্ষণৰ বাবে প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগঠনৰ

সম্প্ৰতি এই মন্দিৰত বিশেষ কাঁচনি স্থাপন তোলা হৈছে। অসমৰ চাৰিওফালৰ বিভিন্ন ঠাইৰ যাত্ৰীৰ দৈনিক এই মন্দিৰ সমাগম হয়। প্ৰতি বছৰে শিৱৰাত্ৰি আৰু বহাগৰ গোঁসাই বিহুত এই মন্দিৰত উৎসৱৰ মেলা অনুষ্ঠিত কৰা হয়।

মন্দিৰটোৰ উৎপত্তিৰ কিংবদন্তী অনুসৰি ভগৱান বিষ্ণুৱে খণ্ডিত কৰা দেৱী সতীৰ নাভি অংশ এই মন্দিৰত পৰিছিল। এই নাভি অংশ পৰা ঠাইতে শিৱ লিংগ স্থাপন কৰি পৰৱৰ্তী সময়ত মন্দিৰ স্থাপন কৰা হয়। অন্য এক কিংবদন্তী অনুসৰি শোণিতপুৰত ৰাজত্ব কৰা বাণ ৰজাই বিশ্বনাথত দ্বিতীয় কাশী স্থাপন কৰিবলৈ বিচাৰিছিল আৰু সেই হেতুকে ১০০০ শিৱলিংগ স্থাপন কৰিছিল। পিছে মহাদেৱে দ্বিতীয় কাশী পৰিদৰ্শন কৰিবলৈ আহি এটা শিৱলিংগ কম দেখা পায় আৰু মনৰ বেজাৰত উই পৰোতে এই স্থানতে মহাদেৱৰ নাভিয়ে স্পৰ্শ কৰে। পিছলৈ এই স্থানতে শিৱলিংগ স্থাপন কৰি পূজা-অৰ্চনা কৰা হৈছে। অন্য এক জনশ্ৰুতি মতে পাণ্ডৱ সকলৰ পুৰোহিত ধৌম্য ঋষিয়ে এই আৰাধনা কৰিছিল। পাণ্ডৱ-নাথটিলাতে শিৱৰ সকলে অজ্ঞাতবাসৰ কালছোৱাত ধৌম্য ঋষিক লগ পায় আৰু তেওঁলোকৰ পুৰোহিত হিচাপে

লগতে লৈ যায়। তাৰ পিছৰে পৰা বহু দিনলৈ এই স্থানত পূজা-অৰ্চনা লোপ পায়। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ আগভাগত জিতাৰী বাংশৰ ৰজা ভূতী প্ৰভাস ছিল। ইই এই মন্দিৰৰ স্থান পুনৰুদ্ধাৰ কৰে। সেই শতিকাৰে শেষভাগত নাগশংকৰ বা নগাক্ষ্য ৰজাই এই মন্দিৰত নিয়মিত পূজা অৰ্চনা কৰিছিল বুলি জনা যায়। ৰজা নগাক্ষ্য এই মন্দিৰৰ প্ৰধান পৃষ্ঠপোষক আছিল। এইজন ৰজাৰ পিছত পুনৰ বহুবছৰলৈ এই মন্দিৰৰ পূজা-সেৱা বন্ধ কৰে। ইয়াৰ পিছত আহোম স্বৰ্গদেউ চুছেংফাই ১৫৮০ খ্ৰীষ্টাব্দত এই মন্দিৰৰ পুনৰ নিৰ্মাণ কৰিছিল। আৰু মন্দিৰৰ নামত দেৱত্তৰ মাটি ৮৩৩ বিঘা দান কৰে। এই টি মন্দিৰৰ ভিতৰত গহ্বৰৰ পানীত শিৱলিংগ স্থাপন কৰা আছে। তদুপৰি বিষ্ণুমূৰ্ত্তি, যোনিকুণ্ড, শালগ্ৰামৰ মূৰ্ত্তি স্থাপন কৰা আছে। নাগশংকৰ মন্দিৰত পূজা-অৰ্চনা কৰিলে অভীষ্ট সিদ্ধি হয় বুলি জনাজ জনমানসত দৃঢ় বিশ্বাস কৰে।

তেজপুৰ চহৰৰ পূব প্ৰান্তত

ব্ৰহ্মপুত্ৰৰ দাঁতিত অৱস্থিত বামুণীপাহাৰ অনুপম ভাস্কৰ্য খোদিত শিলেৰে পৰিপূৰ্ণ। পূৰ্বে এই স্থানত এক বৃহৎ মন্দিৰ আছিল আৰু প্ৰাকৃতিক দুৰ্যোগত এই মন্দিৰ ধ্বংসস্তূপত পৰিণত হয়। এই ভগ্ন শিলসমূহ একত্ৰিত

কৰি মন্দিৰৰ পুনৰ নিৰ্মাণৰ যোগেদি পৰ্যটকৰ আকৰ্ষণীয় স্থানৰূপে গঢ়ি তোলাৰ যথেষ্ট সুবিধা আছে।

প্ৰাকৃতিক সৌন্দৰ্যত চহকী আৰু পুৰাতাত্ত্বিক অঞ্চলেৰে ভৰপুৰ মনোৰম নগৰ তেজপুৰক আটকধুনীয়াকৈ সজাই পৰাই তুলিলে দেশৰ ভিতৰতে ই এখন পৰ্যটকৰ বাবে গুৰুত্বপূৰ্ণ স্থান হ'ব পাৰিব; দেশীয় চৰকাৰলৈ আয় হ'ব যথেষ্ট। এই সন্দৰ্ভত চৰকাৰে অচিৰেই যথোচিত ব্যৱস্থা হাতত লোৱাটো বাঞ্ছনীয়।